# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 23-03-2025
**Time :** 13-40 hrs

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্ত কৰিবলৈ এখন ৩ জনীয়া অভ্যন্তৰীণ তদন্ত কমিটি গঠন কৰিছে।

২। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ২০২৫ বৰ্ষৰ চি ইউ ই টিৰ প্ৰৱেশ পৰীক্ষাৰ বাবে অনলাইন আবেদনৰ সময়সীমা কাইলৈকে বৃদ্ধি কৰিছে।

৩। আজি শ্বহিদ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা যুজাৰুসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

৪। ফিট ইণ্ডিয়া আন্দোলন সফল কৰি তোলাৰ বাবে ড০ মনসুখ মন্দাভিয়াই দৈনিক শৰীৰ চৰ্চা কৰাৰ বাবে জনসাধাৰণক আহ্বান জনাইছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদ আৰু চেন্নাইত দুখন খেল অনুষ্ঠিত হ'ব।

ooooo

উচ্চতম ন্যায়ালয়ে যোৱা নিশা দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ য়শৱন্ত বাৰ্মাৰ বাসগৃহৰ পৰা নগদ ধন উদ্ধাৰ হোৱাৰ অভিযোগ সন্দৰ্ভত ফটো, ভিডিঅ'সহ অভ্যন্তৰীণ প্ৰতিবেদন ৱেবছাইটত আপলোড কৰে। সৰ্বোচ্চ ন্যায়ালয়ে এই ঘটনা সন্দৰ্ভত ন্যায়াধীশ বাৰ্মাৰ উত্তৰো জাৰি কৰিছে। ন্যায়াধীশ বাৰ্মাই তেওঁৰ উত্তৰত অভিযোগসমূহ খণ্ডন কৰি জুই লগা তথা নগদ ধন উদ্ধাৰ হোৱা কথাটো মূল ভৱনৰ অংশ নাছিল আৰু বাহিৰৰ কোঠা আছিল বুলি উল্লেখ কৰিছে। ন্যায়াধীশগৰাকীয়ে লগতে কোঠাটোত তেওঁ আৰু তেওঁৰ পৰিয়ালৰ কোনো সদস্য বাস নকৰা বুলি দাবী কৰে।

তদন্ত প্ৰতিবেদন অনুসৰি ন্যায়াধীশ বাৰ্মাই তেওঁ অথবা তেওঁৰ পৰিয়ালৰ কোনো সদস্যই ভঁৰাল ঘৰত নগদ ধন ৰখা নাছিল বুলি স্পষ্টভাৱে উল্লেখ কৰিছে। উদ্ধাৰ কৰা ধনৰাশি নিজৰ নহয় বুলিও তেওঁ উল্লেখ কৰিছে।

দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি কে উপাধ্যায়ে দাখিল কৰা তদন্ত প্ৰতিবেদনত আনুষ্ঠানিক বাৰ্তাও অন্তৰ্ভুক্ত কৰা হৈছে। এই বাৰ্তাত ভাৰতীয় টকাৰ ৪-৫টা আধা পোৰা জাপ উদ্ধাৰ কৰা  বুলি কোৱা হৈছে। ২৫ পৃষ্ঠা জোৰা এই তদন্ত প্ৰতিবেদনত হোলীৰ নিশা ন্যায়াধীশ বাৰ্মাৰ বাসগৃহত চলোৱা অগ্নি নিৰ্বাপণ অভিযানৰ ভিডিঅ' আৰু ফটোগ্ৰাফো অন্তৰ্ভুক্ত কৰা হৈছে।

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই ইতিমধ্যে ন্যায়াধীশ বাৰ্মাৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্ত কৰিবলৈ এখন তিনিজনীয়া অভ্যন্তৰীণ তদন্ত কমিটী গঠন কৰিছে। এই কমিটীত পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শীল নাগু, হিমাচল প্ৰদেশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ জি এচ সন্ধৱালিয়া আৰু কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অণু শিৱৰমণ আছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য

ন্যায়াধীশ খান্নাই লগতে ন্যায়াধীশ বাৰ্মাক কোনো আইনী কামৰ দায়িত্ব অৰ্পণ নকৰিবলৈ দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক  নিৰ্দেশ দিছে।

সংবাদ মাধ্যমৰ বাতৰিত ইতিপূৰ্বে ন্যায়াধীশ বাৰ্মাৰ ঘৰত সূত্ৰপাত হোৱা অগ্নিকাণ্ডৰ সময়ত হিচাপ বিহীন নগদ ধন উদ্ধাৰ হোৱা বুলি বাতৰি পাইছিল। ইয়াৰ পাছতে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে ন্যায়াধীশ বাৰ্মাক তেওঁৰ মূল উচ্চ ন্যায়ালয়- এলাহবাদ উচ্চ ন্যায়ালয়লৈ ঘূৰাই পঠিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। অৱশ্যে শুকুৰবাৰে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ পূৰ্ণ বিচাৰপীঠৰ বৈঠকত শাস্তিমূলক বদলিয়ে পৰ্যাপ্ত নহয় আৰু ন্যায়াধীশগৰাকীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়োৱা হৈছিল। ইয়াৰ পাছতে পূৰ্ণ বিচাৰপীঠখনে অভ্যন্তৰীণ তদন্তৰ প্ৰতি সন্মতি প্ৰকাশ কৰিছিল আৰু প্ৰথম পদক্ষেপ হিচাপে বদলিকৰণত অনুমোদন জনাইছিল। বদলিকৰণৰ প্ৰক্ৰিয়া অব্যাহত আছে যদিও চৰকাৰে এতিয়ালৈকে ইয়াত অনুমোদন জনোৱা নাই।

ooooo

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ২০২৫ বৰ্ষৰ উমৈহতীয়া বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা চি ইউ ই টিৰ বাবে অনলাইনযোগে আৱেদন দাখিলৰ সময়সীমা কাইলৈ পৰ্যন্ত বৃদ্ধি কৰিছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই এখন বিজ্ঞপ্তিযোগে পৰীক্ষা মাচুল জমা কৰাৰ দিনৰ সংশোধন কৰি ২৫ মাৰ্চ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। আৱেদনকাৰীসকলে ২৬ৰ পৰা ২৮ মাৰ্চলৈ আৱেদন পত্ৰৰ বিৱৰণৰ সংশোধন কৰিব পাৰিব। দেশৰ বিভিন্ন চহৰৰ লগতে বিদেশৰ ১৫ খন চহৰত ৮ মে'ৰ পৰা ১ জুনৰ ভিতৰত কম্পিউটাৰ আধাৰিত এই পৰীক্ষা আয়োজিত কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শ্বহিদ দিৱস উললক্ষে ভাৰতৰ স্বাধীনতা সংগ্ৰামী ভগত সিং, সুখদেৱ আৰু ৰাজগুৰুৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমত এটা ভিডিঅ' শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এইসকল বিপ্লৱী নেতাৰ সৰ্বোচ্চ ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। স্বাধীনতা আৰু ন্যায়ৰ বাবে তেওঁলোকৰ প্ৰচেষ্টাৰ শলাগ লৈ শ্ৰীমোদীয়ে কয় যে তেওঁলোকৰ ত্যাগে আমাৰ সকলোকে অনুপ্ৰাণিত কৰি আহিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ড০ ৰাম মনোহৰ লোহিয়াৰ জয়ন্তীত আজি শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে ড০ লোহিয়া এগৰাকী দূৰদৰ্শী নেতা, এগৰাকী স্বাধীনতা যুজাৰু আৰু সামাজিক ন্যায়ৰ প্ৰতিমুৰ্তি আছিল। দেশৰ প্ৰতি তেওঁৰ অৱদানক সুঁৱৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ড০ লোহিয়াই সমাজৰ অনুন্নত শ্ৰেণীক শক্তিশালী কৰি তোলাৰ লগতে এখন শক্তিশালী ভাৰত গঢ়াৰ লক্ষ্যত জীৱন উচৰ্গা কৰিছে।

ooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কয়, যে ফিট ইণ্ডিয়া আন্দোলন সফল কৰি তোলাৰ বাবে আমি নিয়মীয়াকৈ ব্যায়াম আৰু শৰীৰ চৰ্চা কৰাটো দৈনন্দিন অভ্যাসত পৰিণত কৰা উচিত। তেওঁ কয়, যে চাইকেল চলোৱা অভ্যাসে অকল শৰীৰেই সুস্থ কৰি নাৰাখে, ই পৰিবেশ সুৰক্ষাটো সহায় কৰে। মন্ত্ৰী ড০ মন্দাভিয়াই ৰাষ্ট্ৰজোৰা ফিট ইণ্ডিয়া চানদে' অন চাইকেল শীৰ্ষক সজাগতা কাৰ্যসূচীৰ বাবে আজি পুৱা লক্ষ্ণৌত ৩ কিলোমিটাৰ পথ চাইকেলেৰে যাত্ৰা কৰে।

ক্ৰীড়ামন্ত্ৰীগৰাকীয়ে আৰু কয়, যে চাইকেল চলোৱাৰ অভ্যাসে মানসিক আৰু শাৰিৰীক সুস্থতা বৃদ্ধি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে  জনসাধাৰণক প্ৰতি দেওবাৰে এঘণ্টাৰ বাবে চাইকেল চলাই শৰীৰ সুস্থ কৰি ৰাখিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে আজি উত্তৰ প্ৰদেশৰ ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী গিৰিশ চন্দ্ৰ যাদৱেও অংশগ্ৰহণ কৰে। ৪০০ তকৈও অধিক চাইকেল আৰোহীয়ে আজিৰ এই যাত্ৰাত ভাগ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সুস্থ আৰু সক্ৰিয় জীৱন পদ্ধতিৰ বাৰ্তা বিলাবলৈ প্ৰয়াস কৰে।

ooooo

ভাৰত বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে শক্তি সম্পৰ্কৰ বিকাশৰ প্ৰয়োজনীয়তা আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মত পোষণ কৰে। কালি সন্ধিয়া মুম্বাইত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ড০ জয়শংকৰে কয় যে দশক দশক ধৰি বিশ্বায়নৰ সুফলৰ বিষয়ে শুনি থকাৰ পাছত আজি বিশ্বই উদ্যোগিক নীতি ৰপ্তানি নিয়ন্ত্ৰণ আৰু শুল্ক যুদ্ধৰ বাস্তৱতাৰ সৈতে যুঁজ দিছে। ড০ জয়শংকৰে কয় যে আহিবলগীয়া দশকটোত শক্তি সুৰক্ষা সুনিশ্চিত কৰাটো ভাৰতৰ কূটনীতিৰ মুখ্য উদ্দেশ্য হোৱা উচিত। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে সবকা সাথ সবকা বিকাশ ধাৰণাটো দেশৰ বৈদেশিক নীতিতো প্ৰযোজ্য। তেওঁ লগতে কয়, যে ৰাছিয়া আৰু ইউক্ৰেইন, ইজৰাইল আৰু ইৰাণ, গণতান্ত্ৰিক পশ্চিম আৰু গোলকীয় দক্ষিণ তথা ব্ৰীক্স আৰু কোৱাদ দেশসমূহৰ সৈতে যোগসূত্ৰ স্থাপন কৰা পৃথিৱীৰ কেইখনমান দেশৰ ভিতৰত ভাৰত অন্যতম।

ooooo

নিৰ্বাচন আয়োগে ৰাজনৈতিক দলসমূহৰ সৈতে নিৰ্বাচনী পঞ্জীয়ন বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু মুখ্য নিৰ্বাচনী বিষয়া পৰ্যায়ত তৃণমূল বৈঠকসমূহ অব্যাহত আছে বুলি প্ৰকাশ কৰিছে। মুঠ ৪,১২৩ গৰাকী নিৰ্বাচনী পঞ্জীয়ন বিষয়াই দেশজুৰি সংশ্লিষ্ট বিধানসভাৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰ্যায়ৰ বিষয়মূহ নিষ্পত্তিৰ বাবে সৰ্বদলীয় বৈঠকৰ আয়োজন কৰিছে। মুঠ ৭৮৮ গৰাকী জিলা নিৰ্বাচনী বিষয়া আৰু ৩৬ গৰাকী মুখ্য নিৰ্বাচনী বিষয়াকো ২৪ খন ৰাজ্য তথা ৪ খন কেন্দ্ৰীয় শাসিত অঞ্চলত আপত্তি বা সমস্যা সমাধানৰ বাবে এনে বৈঠকৰ আয়োজন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিৰ পৰ্যায়ৰ ৰাজনৈতিক দলসমূহৰ সক্ৰিয় অংশগ্ৰহণেৰে বৈঠকসমূহ সুকলমে অনুষ্ঠিত হৈ থকা বুলি নিৰ্বাচন আয়োগে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে। দেশজুৰি চলি থকা এই বৈঠকসমূহ ৩১ মাৰ্চৰ পূৰ্বে সম্পূৰ্ণ হোৱাৰ কথা।

ইপিনে, নিৰ্বাচন আয়োগৰ এই তৎপৰতাক ৰাজনৈতিক দলসমূহে আদৰণি জনাইছে। আয়োগে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ সকলো দলকে নিৰ্বাচন সম্পৰ্কীয় বিষয়সমূহ নিষ্পত্তিৰ বাবে নিৰ্ধাৰিত সময়ৰ পূৰ্বে নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনাত মিলিত হ'বলৈ আহ্বান জনাইছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে পিয়াঁজ ৰপ্তানীৰ ওপৰত ২০ শতাংশ শুল্ক প্ৰত্যাহাৰ কৰিছে। এই নীতি পহিলা এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে ইয়াৰ দ্বাৰা কৃষকসকলৰ পাৰিতোষিক নিশ্চিত কৰা হ'ব আৰু গ্ৰাহকৰ বাবে পিয়াঁজ ব্যয়সাধ্য হৈ থাকিব। পিয়াঁজকে ধৰি আন কেইবাবিধো ৰবি শস্যৰ অধিক উৎপাদন হোৱাৰ বাবে অনাগত মাহত এই শস্যসমূহৰ বজাৰ মূল্য হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, ঘৰুৱা বজাৰত উপলব্ধতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে যোৱা বছৰ ১৩ ছেপ্তেম্বৰত পিয়াজৰ ওপৰত ২০ শতাংশ ৰপ্তানি শুল্ক আৰোপ কৰা হৈছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণত আজি দুখন খেল খেলোৱা হ'ব। ইয়াৰে, বিয়লি চাৰে ৩ বজাত হায়দৰাবাদত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ্ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত চেন্নাইত হ'বলগীয়া দ্বিতীয়খন খেলত মুম্বাই ইণ্ডিয়ানছ্, চেন্নাই ছুপাৰ কিংছ্ৰ সন্মুখীন হ'ব।

যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছ্ত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণৰ প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত কলকাতা দলে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটত হেৰুৱাই ১৭৪ ৰান সংগ্ৰহ কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ অধিনায়ক আজিংক্য ৰাহানেই ৫৬ আৰু অপেনৰ সুনীল নাৰায়ণে ৪৪ ৰানৰ বৰঙণি আগবঢ়ায়। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ ক্ৰুনাল পাণ্ডিয়াই তিনিটা আৰু জোচ হেজেলউদে দুটা উইকেট লাভ কৰে।

ooooo

সমাপ্ত